**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাক পাঁচ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ।

২। ৰাজ্যত শেহতীয়াকৈ অবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক এনে ধৰণৰ ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

৩। গুৱাহাটী মহানগৰীৰ সমীপৱৰ্ত্তী সোণাপুৰৰ কচুতলীত অবৈধভাৱে দখল কৰা ভূমি উচ্ছেদৰ ঘটনাক কেন্দ্ৰ কৰি দুজন লোক নিহত।

৪। অসম লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাত ধনৰ বিনিময়ত চাকৰি লোৱাৰ গোচৰ বিশেষ তদন্তকাৰী গোটৰ বিশেষ আদালতত পুনৰ এখন অভিযোগনামা দাখিল।

**আৰু**

৫। চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ নতুন দিল্লীত দেহাৱসান। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকে ধৰি বিভিন্নজনৰ শোক প্ৰকাশ।

ooooooo

অসমত শেহতীয়াকৈঅবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণক এনেধৰণৰ ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ আহ্বান জনাইছে। বিনিয়োগ কৰা ধন অতি কম সময়ৰ ভিতৰতে দুগুণ হ'ব বুলি কোনো লোকে কৰা দাবী স্পষ্টতঃ ভুৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে এনেধৰণৰ অপৰাধ ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ইফালে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাই ডিব্ৰুগড় আৰক্ষীৰ সন্মুখত আত্ম-সমৰ্পন কৰিছে। ভুৱা ট্ৰেডিঙৰ নামত কোটি কোটি টকা লুণ্ঠন কৰাৰ অভিযোগত বিশাল ফুকন নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ পাছৰেপৰা চুমি বৰা আৰু তেওঁৰ স্বামী পলাতক অৱস্থাত আছিল। দহদিন পলাতক হৈ থকাৰ বাবে অসম আৰক্ষীয়ে তেওঁলোকলৈ লুক-আউট জাননী জাৰি কৰিবলগীয়া হৈছিল। ডিব্ৰুগড় আৰক্ষীয়ে অভিযান চলাই চলিত মাহৰ আৰম্ভণিতে গ্ৰেপ্তাৰ হোৱা এই কেলেংকাৰীৰ মূল অভিযুক্ত বিশাল ফুকনৰ সৈতে জড়িত থকাৰ অভিযোগত চুমি বৰা আৰু তেওঁৰ স্বামীক আটক কৰিছে। এই অভিযুক্তকেইজনে ট্ৰেডিং ব্যৱসায়ত বিনিয়োগ কৰিবলৈ বিভিন্ন লোকক প্ৰলোভন দিয়াৰ লগতে দুমাহত ৩০ শতাংশ ধন ওভোটাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তেওঁলোকে আনকি ভুৱা তথ্য প্ৰদান কৰিও বিনিয়োগকাৰী গ্ৰাহকসকলক প্ৰলোভিত কৰিছিল। আজি আটক কৰাৰ পাছত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰি ৫ দিনৰ বাবে নিজৰ জিম্মাত লোৱা বুলি জানিব পৰা গৈছে। অবৈধ অনলাইন ট্ৰেডিঙৰ অভিযোগত আজি চুমি বৰা আৰু তাৰ্কিক বৰা গ্ৰেপ্তাৰ হোৱা ঘটনাত মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে আইনে সক্ৰিয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব আৰু ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'ব। কোনো লোকে জনসাধাৰণক ট্ৰেডিঙৰ নামত প্ৰৱঞ্চনা কৰিব নোৱাৰে বুলি তেওঁ উল্লেখ কৰে। প্ৰৱঞ্চনা কৰা ৯০ শতাংশ লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

আনহাতে, গুৱাহাটী আৰক্ষীয়ে আজি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন এগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্মক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, গুৰুতৰ অবৈধ অনলাইন

ট্ৰেডিঙৰ ঘটনাৰ সৈতে জড়িত হৈ থকাৰ অভিযোগত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইপিনে, এনেধৰণৰ অবৈধ ধন লেনদেনৰ ব্যৱসায়ত আন এজন অভিযুক্ত দীপাংকৰ বৰ্মন নামৰ লোকজন পলাতক অৱস্থাত আছে।

ইফালে, কংগ্ৰেছ দলে ভুৱা ট্ৰেডিঙৰ নামত বৃদ্ধি পোৱা বিত্তীয় কেলেংকাৰী সন্দৰ্ভত ন্যায়িক তদন্তৰ আহ্বান জনাই আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। ভুৱা ট্ৰেডিঙৰ নামত ৰাজ্যখনৰ বহু বিনিয়োগকাৰী ক্ষতিৰ সন্মুখীন হৈছে বুলি পত্ৰখনত উল্লেখ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰীক্ষণত কেন্দ্ৰীয় সংস্থাসমূহৰ দ্বাৰা তদন্তৰ বাবেও দলে দাবী জনাইছে।

oooooooo

গুৱাহাটী মহানগৰীৰ সমীপৱৰ্ত্তী সোণাপুৰৰ কচুতলীত আজি অবৈধভাৱে দখল কৰা ভূমি উচ্ছেদক কেন্দ্ৰ কৰি দুগৰাকী ব্যক্তি নিহত হয়। অবৈধ দখলকাৰীক উচ্ছেদৰ বাবে যোৱা আৰক্ষী প্ৰশাসনৰ লোকৰ ওপৰত আক্ৰমণ কৰাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কৰা গুলীচালনাত এই লোক দুজনৰ মৃত্যু হয়। ঘটনাটোত সোণাপুৰৰ চক্ৰ বিষয়াসহ আৰক্ষীৰ কেইবাজনো লোক আহত হয়। আহতসকলক সোণাপুৰৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখযোগ্য যে প্ৰশাসনে অঞ্চলটোত অবৈধভাৱে ভূমি দখল কৰা লোকসকলক আঁতৰি যাবলৈ পূৰ্বে জাননী জাৰি কৰিছিল। কিন্তু উচ্ছেদৰ জাননীৰ পাছতো লোকসকলে সেই ভূমি এৰি নোযোৱাত আৰক্ষী প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। কিন্তু একাংশ লোকে উচ্ছেদত বাধা দিয়াত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

oooooooo

তিনিচুকীয়া জিলা আৰক্ষীয়ে আজি পেঙেৰীত এন-এচ-চি-এন (ইছাক মুইভা) গোটৰ এজন সদস্যক গ্ৰেপ্তাৰ কৰে। সদস্যজনৰ পৰা আৰক্ষীয়ে তিনিটা হেণ্ড গ্ৰেনেড, দুটা পিষ্টলসহ মেগজিন, অৰ্দ্ধশতাধিক সক্ৰিয় গুলী উদ্ধাৰ কৰে। কি পৰিকল্পনাৰে অস্ত্ৰসহ এন-এছ-চি-এনৰ কেডাৰজন অসমত প্ৰবেশ কৰিছিল সেই বিষয়ে আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

ooooooo

পদ্ম বঁটাৰ বাবে মনোনয়নৰ দাখিল প্ৰক্ৰিয়াৰ অহা ১৫ ছেপ্তেম্বৰত সামৰণি পৰিব। যোৱা ১ মে’ত এই মনোনয়ন গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে বিগত দশকটোত চৰকাৰে অসংখ্য তৃণমূল পৰ্যায়ৰ নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। তেওঁ কয় যে এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰাৰ লগতে এই লোকসকলৰ কাম-কাজত দৃঢ়তা আৰু অধ্যাৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয় বুলি তেওঁ উল্লেখ কৰে। এই বঁটা প্ৰদান প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

ooooooo

আয়ুষ মন্ত্ৰালয়ে তৃতীয় পৰ্যায়ৰ বিশেষ অভিযানৰ সময়ছোৱাত এহেজাৰ ৩০০তকৈয়ো অধিক ওজৰ-আপত্তি নিষ্পত্তি কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে কৰ্মক্ষেত্ৰত পৰিচ্ছন্নতা আৰু স্বচ্ছতাৰ দিশটো উন্নত কৰাৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰা হৈছিল। অভিযানৰ সময়ছোৱাত কেইবাটাও বিবেচনাধীন বিষয় নিষ্পত্তি কৰা হয়। ইয়াৰ ভিতৰত ১৮৭ টা ৰাজহুৱা ওজৰ-আপত্তিৰ আবেদন, ১৮ টা সংসদীয় নিশ্চিতি আৰু ৩৩ টা সাংসদৰ পৰা পৰামৰ্শ লাভ কৰা বিষয় আছে। মন্ত্ৰালয়ে সম্প্ৰতি চতুৰ্থ পৰ্যায়ৰ বিশেষ অভিযানৰ বাবে সাজু হৈছে। এই অভিযানৰ অধীনত মন্ত্ৰালয়ে এখন স্বচ্ছ আৰু আবৰ্জনামুক্ত ভাৰত গঢ়াৰ বাবে সকলো চৰকাৰী বিষয়া-কৰ্মীৰ দ্বাৰা সংকল্প গ্ৰহণ কৰোৱাৰ পদক্ষেপ লৈছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোধপুৰ বায়ুসেনা কেন্দ্ৰত চলি থকা তৰংগ শক্তিৰ দ্বিতীয় পৰ্যায়ৰ অনুশীলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে এই অনুশীলনৰ উদ্দেশ্য হৈছে – দেশৰ সামৰিক সামৰ্থ্যৰ প্ৰদৰ্শন আৰু অংশগ্ৰহণকাৰী দেশসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰা। দেশৰ ক্ৰমবৰ্ধমান সামৰিক শক্তিৰ কথা উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বে ভাৰতে প্ৰতিৰক্ষা সঁজুলি আমদানি কৰিছিল যদিও এতিয়া প্ৰতিৰক্ষা সামগ্ৰী বিশ্বৰ ৯০ খন দেশলৈ ৰপ্তানি কৰিব পৰা হৈছে। তেওঁ কয় যে দেশৰ প্ৰয়োজন অনুযায়ী প্ৰতিৰক্ষা সঁজুলি প্ৰস্তুত কৰাৰ লগতে বন্ধুত্বপূৰ্ণ দেশৰ সৈতে উচ্চ প্ৰযুক্তি বিদ্যাৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহযোগিতা ক্ৰমাৎ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে বিভিন্ন দেশৰ যুদ্ধ বিমানে এই তৰংগ শক্তি অনুশীলনত অংশ লৈছে। এই অনুশীলনৰ সময়ত ভাৰতীয় বায়ুসেনাই ভাৰতীয় প্ৰতিৰক্ষা বিমান পৰিবহণ প্ৰদৰ্শনী আই ডি এ এক্স-২৪ৰো আয়োজন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই প্ৰদৰ্শনীৰ উদ্বোধন কৰে। প্ৰদৰ্শনীত বিভিন্ন প্ৰতিৰক্ষা সামগ্ৰী আৰু প্ৰযুক্তি আদিৰ প্ৰদৰ্শন কৰা হৈছে।

০০০০০০০০০

১৪ ছেপ্তেম্বৰত অৰ্থাৎ পৰহিলৈ দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ কাৰ্যসূচীৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাত লোক আদালত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত জিলাখনত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ ফেকামাৰীৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত হ'বলগীয়া লোক আদালতত সৰু সৰু অপৰাধ, দেৱানী বিবাদ, মটৰ বাহন আইন সম্পৰ্কীয় গোচৰ, অসামৰিক বিবাদৰ গোচৰ, পাৰিবাৰিক সমস্যাৰ লগতে বিভিন্ন গোচৰসমূহ আপোচ মীমাংসাৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। এই গোচৰসমূহৰ সৈতে জড়িতসকলক ১৪ আগষ্টত লোক আদালতত উপস্থিত হ'বলৈ জিলা আইন সেৱা প্ৰাধিকৰণে আহ্বান জনাইছে। উল্লেখযোগ্য যে জিলাখনত এইবাৰ প্ৰায় ৭ হাজাৰ গোচৰ নিষ্পত্তিৰ বাবে প্ৰাধিকৰণৰ ফালৰপৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে গোচৰৰ অভিযুক্তসকলে সংশ্লিষ্ট গোচৰ সংক্ৰান্তত ১ কোটি ৬০ লাখ টকা জমা কৰিছে বুলি প্ৰাধিকৰণে জানিবলৈ দিয়ে।

০০০০০০০

ছাত্ৰ নেতা শংকৰ জ্যোতি বৰুৱাই সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পদ ত্যাগ কৰিছে। সামাজিক মাধ্যমযোগে ছাত্ৰ নেতাগৰাকীয়ে প্ৰকাশ কৰা মতে শেহতীয়াভাৱে উত্থাপিত এটা বিতৰ্কৰ সত্য সত্যতা ন্যায়ালয়ত প্ৰমাণ হ'ব যদিও ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে তেওঁ স্বইচ্ছাই অব্যাহতি গ্ৰহণ কৰে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাত ধনৰ বিনিময়ত চাকৰি লোৱাৰ গোচৰত আজি বিশেষ তদন্তকাৰী গোটে বিশেষ আদালতত পুনৰ এখন অভিযোগনামা দাখিল কৰিছে। ১৫৬ পৃষ্ঠাৰ এই অভিযোগনামাত ২৩ জন ৰাজপত্ৰিত বিষয়াৰ নাম সন্নিবিষ্ট হৈছে। ইয়াৰ পূৰ্বে বিশেষ তদন্তকাৰী গোটে যোৱা ২০ জুনত ৪ জন বিষয়াৰ বিৰুদ্ধে অভিযোগানামা দাখিল কৰিছিল।

০০০০০০০

চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ আজি নতুন দিল্লীৰ অখিল ভাৰতী আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান ঘটে। নেতাগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা বিভিন্ন জিলাত সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হোৱাৰ লগতে প্ৰস্তুতি আৰম্ভ কৰিছে। বৰপেটা জিলাত এই পৰীক্ষা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। আজি আৰক্ষী প্ৰশাসনৰ লগত জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হোৱাৰ উপৰি পৰীক্ষা কেন্দ্ৰবোৰো পৰ্যবেক্ষণ কৰা হয়। জিলা আয়ুক্ত আয়ুষ গাৰ্গে কেইবাটাও কেন্দ্ৰ পৰিদৰ্শন কৰি সুৰক্ষা ব্যৱস্থাৰ বুজ লয়। একেদৰে কেইবাজনো অতিৰিক্ত জিলা আয়ুক্তই আন একাংশ কেন্দ্ৰ পৰিদৰ্শন কৰে। সমান্তৰালভাৱে আৰক্ষীয়েও পৰীক্ষা কেন্দ্ৰবোৰৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰবোৰৰ অধীনৰ আৰক্ষী থানাবোৰৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত নিয়মীয়া বৈঠক অনুষ্ঠিত কৰা হৈছে।

আনহাতে, চৰাইদেউ জিলাত আগন্তুক ১৫ আৰু ২৯ ছেপ্তেম্বৰ তথা ২৭ অক্টোবৰত জিলাখনত অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পৰীক্ষা সুচাৰু ৰূপে অনুষ্ঠিত কৰাৰ বাবে চৰাইদেউ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে তৎপৰতা গ্ৰহণ কৰিছে। সেই অনুসৰি অসম শক্তি বিতৰণ নিগম লিমিটেডৰ চৰাইদেউ, মৰাণ আৰু ডিমৌ বৈদ্যুতিক উপ সংমণ্ডলৰ উপ-মাণ্ডলিক অভিযন্তাক পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ দিনা নিৰবিচ্ছিন্ন বিদ্যুৎ যোগান নিশ্চিত কৰাৰ বাবে এক পত্ৰযোগে নিৰ্দেশ প্ৰদান কৰিছে। পৰীক্ষাৰ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে পথৰ দাঁতিত বহা হাট-বজাৰ বন্ধ ৰখাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। অনুকূল বাতাবৰণ বৰ্তাই ৰখাৰ স্বাৰ্থত তথা যাঁন-জট ৰোধৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

কৰিমগঞ্জ জিলাত এই পৰীক্ষা সুকলমে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে পৰীক্ষা কেন্দ্ৰকে ধৰি সকলো ধৰণৰ চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানৰ সৈতে জড়িত শিক্ষক-কৰ্মচাৰীৰ ছুটি বাতিল কৰিছে। উল্লেখযোগ্য যে জিলাখনৰ ২০ হাজাৰ ৭২০গৰাকী পৰিক্ষাৰ্থীয়ে ৩৭টা কেন্দ্ৰত এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। বঙাইগাঁও জিলাত এই পৰীক্ষা সুকলমে সম্পন্ন কৰাৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। বঙাইগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰথম মহলাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ লগত সংযোজিত কোঠাত এই নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। যিকোনো অবাঞ্ছিত পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে ২৪ ঘণ্টাই সক্ৰিয় হৈ থকাকৈ স্থাপন কৰা এই নিয়ন্ত্ৰণ কক্ষটোৰ ফোন নম্বৰ হৈছে ৭০৮৬৭-৯৩৫০৭।

শোণিতপুৰ জিলাত এই পৰীক্ষা সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে পৰীক্ষা কেন্দ্ৰ আশে-পাশে থকা দৈনিক তথা সাপ্তাহিক বজাৰসমূহ অহা ১৫ ছেপ্তেম্বৰ দেওবাৰে বন্ধ ঘোষণা কৰিছে। সেই অনুসৰি জিলাখনৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত ঢেকিয়াজুলি চহৰৰ দেওবৰীয়া সাপ্তাহিক বজাৰ, ন-দুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত জামুগুৰিহাটৰ দেওবৰীয়া সাপ্তাহিক বজাৰ, ঠেলামাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত উলুবাৰী সাপ্তাহিক বজাৰ, চাৰি দুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খেলমাটি আদাবাৰী সাপ্তাহিক বজাৰ, তেজপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মহাভৈৰৱ বজাৰ, চানমাৰি বজাৰ, বৌ বজাৰ, লাচিত শ্বপ আৰু দোলাবাৰী বজাৰ বন্ধ থাকিব।

কোকৰাঝাৰ জিলাত এই পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা দণ্ডাধীশ প্ৰদীপ কুমাৰ দ্বিবেদীয়ে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি পৰীক্ষাৰ্থীৰ অভিভাৱকসকলকে ধৰি আন ব্যক্তিক পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। তদুপৰি পৰীক্ষাৰ দিনকেইটাত পৰীক্ষা কেন্দ্ৰসমূহৰ কাষত উচ্চ প্ৰাবল্যৰ শব্দৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

০০০০০০০

চৰাইদেউ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনৰ সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত ৪ অক্টোবৰ পৰ্যন্ত ১০০ দিনীয়া সজাগতা অভিযান অব্যাহত আছে। ২১ জুনৰ পৰা চলি থকা এই অভিযানৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ ডবা তিনিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত সামৰ্থ্য বিকাশ কাৰ্যসূচীৰ পদক্ষেপ হিচাপে ঋতুস্ৰাৱৰ সময়ত

পৰিষ্কাৰ-পৰিচ্ছন্নতা শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলা স্বাস্থ্য বিভাগৰ নিৰীক্ষণ কৰ্মী পূৰ্ণিমা গগৈয়ে ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানত আন কেইবাগৰাকীও সমল ব্যক্তিয়ে যৌন প্ৰজনন, স্বাস্থ্য আৰু অন্যান্য বিষয় লৈ ভাষণ দিয়ে। অনুষ্ঠানটোত ছাত্ৰীসকলৰ মাজত ছেনিটাৰী নেপকিন বিতৰণ কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ উত্তৰ-পূব, মধ্য-পূব আৰু পশ্চিম অঞ্চলৰ বিভিন্ন প্ৰান্তত অহা ৪ দিনত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, বিহাৰ, ওড়িশা আৰু ঝাৰখণ্ডত আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগে প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে মধ্য ভাৰত, কোংকন, গোৱা আৰু গুজৰাটত চলিত সপ্তাহটোত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে। ইতিমধ্যে দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত যোৱানিশাৰে পৰা পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হৈ আছে। বৰষুণৰ ফলত ৰাষ্ট্ৰীয় ৰাজধানীখনৰ বিভিন্ন অঞ্চলত যান-বাহনৰ চলাচলতো অসুবিধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

০০০০০০০০০

**সমাপ্ত**